## (ক অংশ) সমসাময়িক বিশ্ব ৰাজনীতি

1. তলত দিয়াবোৰৰ উত্তৰ লিখা : 1 × 6

(a) ৰাষ্ট্ৰসংঘৰ প্ৰথমগৰাকী সচিব প্ৰধান কোন আছিল ?

উত্তৰ: Trygve Halvdan Lie.

(b) WTO- ৰ সম্পূৰ্ণ ৰূপটো লিখা।

উত্তৰ: World Trade organisation.

(c) কিউবা ক্ষেপণাস্ত্ৰ সংকট ___ চনত হৈছিল।
(খালী ঠাই পূৰণ কৰা)

উত্তৰ: ১৯৬২ চনত।

(d) ছোভিয়েট ইউনিয়ন ৰাজনৈতিক আৰু অৰ্থনৈতিক সংস্কাৰ কোনে আৰম্ভ কৰিছিল।

উত্তৰ: মিখাইল গৰ্বাচেভ।

(e) চাৰ্কৰ প্ৰথমখন শীৰ্ষ সন্মিলন ক'ত অনুষ্ঠিত হৈছিল ?

উত্তৰ: বাংলাদেশ ঢাকাত।

(f) 'মুক্ত-দুৱাৰ' নীতি বুলিলে তুমি কি বুজা ?

উত্তৰ: মুক্ত বজাৰ অৰ্থনীতিক বুজোৱা।

2. ছোভিয়েট ইউনিয়ন বিভাজনৰ পিছত সৃষ্টি হোৱা দুখন দেশৰ নাম লিখা।

উত্তৰ: ৰাছিয়া, বেলাৰুচ।

3. চীন আৰু ভাৰতৰ মাজত 1962 চনত হোৱা সীমা সংঘাত মূলত: ___ আৰু কলৈ হৈছিল।

উত্তৰ: আকচাইচীন আৰু অৰুণাচল প্ৰদেশ।

4. ভাৰত আৰু বাংলাদেশৰ মাজত সহযোগিতা থকা দুটা ক্ষেত্ৰ

উল্লেখ কৰা।
উত্তৰ: (ক) অৰ্থনৈতিক সহযোগিতা (খ) দুৰ্যোগ নিবাৰণ
আৰু পৰিৱেশ সংৰক্ষণ।

5. শীতল যুদ্ধৰ সময়ত দুই মহাশক্তিয়ে স্বাক্ষৰ কৰা দুখন অস্ত্ৰ নিয়ন্ত্ৰণ চুক্তিৰ নাম লিখা।
উত্তৰ: ১. নিয়ন্ত্ৰিত পৰীক্ষা নিষিদ্ধকৰণ চুক্তি
২. পাৰমাণৱিক অস্ত্ৰ সম্প্ৰসাৰণ বিৰোধী চুক্তি
6. মানৱজাতীয়ে সন্মুখীন হোৱা দুটা ভাবুকি উল্লেখ কৰা।
উত্তৰ: (ক) গোলকীয় উষ্ণতা বৃদ্ধি (খ) বতৰৰ পৰিৱৰ্তন।

7. অৰ্থনৈতিক বিশ্বায়নৰ সৈতে জড়িত দুটা সংগঠনৰ নাম লিখা।
উত্তৰ: (ক) বিশ্ব বাণিজ্য সংস্থা (খ) আন্তৰ্জাতিক মুদ্ৰা নিধি।

8. বিশ্বায়নৰ ৰাজনৈতিক পৰিণতি সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।
উত্তৰ: ১. কঠিন শক্তি হিচাপে আধিপত্য: প্ৰথমে আধিপত্য শব্দটোৱে কেৱল মাজত সম্বন্ধ, ধাৰণা আৰু সামৰিক শক্তিৰ ভাৰসাম্য বুজাইছিল।
এই ক্ষেত্ৰত বৰ্তমান বিশ্ব ৰাজনীতিত যুক্তৰাষ্ট্ৰৰ স্থান আৰু ভূমিকালৈ লক্ষ্য কৰি আধিপত্য শব্দটোৱে সামৰিক শ্ৰেষ্ঠতা বুজোৱালৈ বিশেষ যুক্তিযুক্ততা আছে। আমেৰিকাৰ সামৰিক একাধিপত্য সম্পূৰ্ণ অতুলনীয়। সম্পূৰ্ণতাৰ ক্ষেত্ৰত আজি যুক্তৰাষ্ট্ৰই পৃথিৱীৰ যিকোনো বিন্দুত সঠিক সময়ত নিখুঁতভাৱে আঘাত কৰি শত্ৰুপক্ষক অসমৰ্থ কৰিব পাৰে।
আমেৰিকাৰ ইৰাক আক্ৰমণে ইয়াৰ যুদ্ধ জয় কৰাৰ শক্তি যে অলংঘনীয় এয়া প্ৰমাণ কৰে আৰু এই ক্ষেত্ৰত অধিক ভয়াৱহ কথাটো হ'ল যে বৰ্তমান তেওঁলোকৰ

ওচৰ চাপিব পৰা এনে কোনো শক্তি পৃথিৱীত নাই।

২. গাঁথনিগত আধিপত্য: আধিপত্যৰ দ্বিতীয় ভাৱধাৰাটো প্ৰথমটোতকৈ সম্পূৰ্ণ বেলেগ। বিশ্ব অৰ্থনীতিৰ এক বিশেষ সা অৱস্থা বুজাবলৈ ইয়াৰ উৎপত্তি হৈছে। ইয়াৰ মূল ভাবটো হৈছে যে বিশ্ব অৰ্থনীতি জন্ম দিবলৈ আৰু বহুল ৰাখিবলৈ আধিপত্যিক শক্তিৰ আৱশ্যক।
আধিপত্যিক শক্তিটোৰ সামৰ্থ্য আৰু শৃংখলাবদ্ধতাৰ বাবে নিৰ্দিষ্ট বিধি তৈয়াৰ কৰাৰ ইচ্ছা থাকিব লাগিব আৰু ই বিশ্ব গাঁথনিৰ গ্ৰহণযোগ্য হ'ব লাগিব। আধিপত্যিক শক্তিটোৱে সাধাৰণতে নিজৰ সুবিধাৰ বাবে এইটো কৰে।
যুক্তৰাষ্ট্ৰই যোগান দিয়া বিশ্বৰ জনসাধাৰণৰ সামগ্ৰীত আধিপত্যিক শক্তিৰ দ্বিতীয় ভাৱধাৰাটো প্ৰকাশ পায়। জনসাধাৰণৰ সামগ্ৰী বুলিলে বিশুদ্ধ বায়ু আৰু সাগৰীয় পথসমূহ বা বিশ্বব্যাপী সংযোগ ব্যৱস্থাক বুজায়।
এক কথাত ক'বলৈ গ'লে বিশ্বৰ মুক্ত অৰ্থনৈতিক ব্যৱস্থাক নিজৰ ইচ্ছা অনুসৰি পৰিচালনা কৰাৰ কৰাৰ আমেৰিকাৰ ইচ্ছা এনে দেশৰ বাবে জৰুৰী হৈছে যে এই দেশৰ হাতত ব্যৱস্থাখিনি কাৰ্যকৰী কৰাৰ বাবে নিয়ম-নীতি কাৰ্যকৰী কৰাৰ ক্ষমতা আৰু ইচ্ছা থাকিব লাগিব আৰু বিশ্ব মুক্ত অৰ্থনীতিক বজাই ৰাখিব লাগিব।

৩. নৰম শক্তি হিচাপে আধিপত্য: আধিপত্যৰ লগত জড়িত তৃতীয় অৰ্থ হৈছে সন্মতি গঠন কৰাৰ ক্ষমতা। ইয়াৰ অৰ্থ হৈছে বিশ্বত কোনো প্ৰধান ৰাষ্ট্ৰৰ সামাজিক, ৰাজনৈতিক আৰু ৰাজনৈতিক আৰু বিশেষকৈ বিচাৰধাৰা বা আদৰ্শৰ ক্ষেত্ৰত আনআন্য ৰাষ্ট্ৰৰ ওপৰত নিজৰ প্ৰভাৱ খটোৱাৰ ক্ষমতা। আমেৰিকান সংস্কৃতি বিশ্বৰ আটাইতকৈ প্ৰভাৱশালী সংস্কৃতি। আমেৰিকাৰ এই গুণ বা উপাদানক 'Soft Power' বোলে।

ইয়াৰ অৰ্থ হৈছে শক্তি প্ৰয়োগৰ পৰিবৰ্তে মানুহক প্ৰভাৱান্বিত কৰা।

ভাল জীৱন-যাপন কৰা বা ব্যক্তিগত সাফল্য আদৰ্শ বা বিশ্বজুৰি ব্যক্তিসকলক আপোন কাৰ্যকলাপ কৰাৰ ইচ্ছা বাস্তৱত আমেৰিকাত সফল হোৱা দেখা গৈছে। আৰু ভাল জীৱন যাপনৰ আদৰ্শৰ দ্বাৰা বিশ্বৰ মানুহ প্ৰভাৱান্বিত হৈছে।

শীতল যুদ্ধৰ কালছোৱাত আমেৰিকাৰ প্ৰতিদ্বন্দ্বী দেশ ছোভিয়েট ৰাছিয়াত এযোৰ 'Blue Jeans' বিদেশী অতিথি সকলৰ পৰা ক্ৰয় কৰাৰ বাবে নিজৰ গোটেই বছৰৰ দৰমহা খৰচ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

শীতলযুদ্ধৰ কালছোৱাত আমেৰিকাই সামৰিক দিশত ছোভিয়েট ৰাছিয়াক পৰাস্ত কৰিব নোৱাৰিলেও 'Soft Power' বা সাংস্কৃতিক আৰু মানুহৰ জীৱনৰ মানদণ্ড ৰক্ষাৰ ক্ষেত্ৰত ৰাছিয়াক পৰাস্ত কৰিব পাৰিছিল।

৭. ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰতৰ স্থায়ী সদস্যপদৰ দাবীৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।

উত্তৰঃ ভাৰতৰ নাগৰিক হিচাপে ভাৰতৰ এই দাবীক পূৰ্ণ সমৰ্থন জনাওঁ।

(ক) ভাৰত বিশ্বৰ ভিতৰত দ্বিতীয় জনবহুল দেশ।

(খ) ভাৰতবৰ্ষই বিশ্বৰ আটাইতকৈ বৃহত্তম গণতন্ত্ৰ আৰু গণতান্ত্ৰিক মূল্যবোধক স্বীকৃতি দিয়ে।

(গ) ৰাষ্ট্ৰসংঘৰ সকলো ধৰণৰ কাৰ্যত ভাৰতে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰে।

(ঘ) ৰাষ্ট্ৰসংঘৰ বছৰেকীয়া বাজেটত ভাৰতে নিয়মীয়াকৈ অৱদান যোগায়।

(ঙ) ভাৰতবৰ্ষই মানৱাধিকাৰক সন্মান জনায় আৰু সকলো

ৰাইজৰ মানৱাধিকাৰক ৰক্ষাৰ ক্ষেত্ৰত সচেষ্ট থাকে।
(চ) ভাৰতবৰ্ষই অৰ্থনৈতিক ক্ষেত্ৰতো যথেষ্ট উন্নতি অৰ্জন কৰিছে। এছিয়াৰ ভিতৰত অৰ্থনৈতিক দিশত ভাৰত দ্বিতীয় স্থানত আছে।
ওপৰত উল্লেখ কৰা চৰ্তসমূহৰ দ্বাৰা স্পষ্টভাৱে দেখুৱা হৈছে যে ভাৰতৰ এই দাবী যুক্তিযুক্ত।

10. দক্ষিণ এছিয়াত স্থায়ী শান্তি প্ৰতিষ্ঠা কেনেদৰে কৰিব পাৰি? আলোচনা কৰা।
উত্তৰঃ দক্ষিণ এছিয়াত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ বাবে বিভিন্ন ব্যৱস্থা হাতত ল'ব লাগিব।
১. দক্ষিণ এছিয়াত ৰাষ্ট্ৰসমূহৰ মাজৰ সম্পৰ্ক উন্নত কৰাৰ বাবে SAARC ৰ দৰে অনুষ্ঠানক আৰু অধিক শক্তিশালী কৰিব লাগিব।
২. সকলোবোৰ ৰাষ্ট্ৰৰ এনে অনুষ্ঠানৰ প্ৰতি যাতে সমানে আস্থা থাকে তাৰ প্ৰতি চকু দিব লাগিব।
3. SAFTA ৰ দৰে অন্য অনুষ্ঠানসমূহৰ প্ৰকৃত উদ্দেশ্যৰ বিষয়ে সকলো ৰাষ্ট্ৰই সঠিকভাৱে অৱগত হ'ব লাগিব।
4. দক্ষিণ এছিয়াৰ দুখন উল্লেখযোগ্য ৰাষ্ট্ৰ অৰ্থাৎ ভাৰত আৰু পাকিস্তানৰ মাজত সম্পৰ্কৰ উন্নতিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব।
5. এই অঞ্চলত বিদেশী ৰাষ্ট্ৰসমূহৰ উচিত প্ৰয়োজনত সংঘবদ্ধ ভাৱে বিদেশী ৰাষ্ট্ৰৰ উপস্থিতিক প্ৰতিহত কৰা।
ভাৰতৰ ব্যৱহাৰে কেতিয়াও এনে এটা বিশ্বাস জন্ম দিব নালাগে যে ভাৰতে এই অঞ্চলৰ ৰাষ্ট্ৰসমূহৰ লগত নিজৰ সম্পৰ্ক ৰক্ষা কৰাৰ ক্ষেত্ৰত জ্যেষ্ঠ ভাতৃৰ দৰে ব্যৱহাৰ কৰিছে।
6. এই অঞ্চলৰ পৰা সন্ত্ৰাসবাদী শক্তিক নিৰ্মূল কৰাৰ বাবেও সন্মিলিতভাৱে প্ৰচেষ্টা চলাব লাগে।

11. প্ৰব্ৰজন আৰু মানৱীয় নিৰাপত্তাৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

উত্তৰঃ মানৱীয় নিৰাপত্তাই মানুহৰ নিৰাপত্তাক বুজায়। দাৰিদ্ৰতা, মহামাৰী, ক্ষুধা, প্ৰাকৃতিক দুৰ্যোগ আদিৰ পৰা মানুহে নিৰাপত্তা বিচাৰে। প্ৰব্ৰজনৰ লগত নিৰাপত্তাৰ সম্পৰ্ক আছে। মানুহে যেতিয়া স্বইচ্ছাৰে নিজ দেশ এৰি আৰ্থিক সুবিধাজনক জীৱন ভোগ কৰাৰ বাবে আন দেশলৈ ধাৱমান হয় ইয়াক প্ৰব্ৰজন বোলে। অৱশ্যে প্ৰব্ৰজন কেতিয়াবা মানৱীয় নিৰাপত্তাৰ বাবেও কাৰ্যকৰী হয়। কিন্তু প্ৰব্ৰজন অধিক হ'লে যি দেশত এনে প্ৰব্ৰজন সংগঠিত হয় সেই দেশৰ মানুহৰ ধাৰ্মিক, সাংস্কৃতিক আৰু আন আন স্বকীয় বৈশিষ্ট্য বিনষ্ট হোৱাৰ আশংকা থাকে।

12. বিশ্বজনীন পৰিৱেশিক বিতৰ্কৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি আলোচনা কৰা।

উত্তৰঃ বিশ্ব সম্প্ৰদায়ৰ খোজত খোজ মিলাই ভাৰতেও পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ ক্ষেত্ৰত বহুতো ব্যৱস্থা হাতত লৈছে।

(ক) ভাৰত চৰকাৰে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় যান-বাহনৰ ইন্ধন পূৰ্বৰ তুলনাত বেছি পৰিষ্কাৰ হোৱাটো বাধ্যতামূলক কৰিছে।

(খ) 2001 চনত ভাৰতীয় সংসদে পাচ কৰা শক্তি সংৰক্ষণ আইনে ইন্ধন পাৰিপাৰ্শ্বিকতা বৃদ্ধিৰ উদ্দেশ্যে গ্ৰহণ কৰিবলগীয়া পদক্ষেপসমূহৰ সি বিষয়ে উল্লেখ কৰিছে।

(গ) বিদ্যুৎ শক্তি আইন 2003 য়ে নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰত উৎসাহ যোগাইছে।

(ঘ) শেহতীয়াকৈ ভাৰতে প্ৰাকৃতিক গেছ আমদানি কৰি আৰু পৰিষ্কাৰ কয়লা আহৰণৰ প্ৰযুক্তিবিদ্যা গ্ৰহণ কৰাত উৎসাহ যোগাই ভাৰতে যে পৰিৱেশ সংক্ৰান্তীয় বিষয়সমূহ অধিক আন্তৰিকতাৰে লৈছে সেইটো প্ৰমাণ কৰিছে।

13. বিশ্ব দৰিদ্ৰতাৰ বিষয়ে চমুকৈ লিখা ।

উত্তৰ: সাধাৰণ মানুহৰ দৈনন্দিন নিৰাপত্তাক আটাইতকৈ বেছি বিঘ্নিত কৰিছে দৰিদ্ৰতাই। [illegible] দৰিদ্ৰতা হ'ল এনে এক অৱস্থা যত মানুহৰ জীৱিকাৰ বা আয়ৰ পৰ্যাপ্ত সুবিধা নাই। প্ৰয়োজনীয় আয় নথকাৰ বাবে তেওঁলোকে দুবেলা দুমুঠি খাবলৈ নাপায়, উপযুক্ত স্বাস্থ্য, শিক্ষা আদিৰ পৰা বঞ্চিত হয়। বিশেষকৈ তৃতীয় বিশ্বৰ কেতবোৰ দেশত বৰ্ধিত জনসংখ্যাই আৰু ধনী আৰু দুখীয়া লোকৰ মাজত থকা বৈষম্যই দৰিদ্ৰতাৰ সমস্যা ভয়াবহ কৰি তুলিছে। পৃথিৱীৰ দুখীয়া দেশবোৰত জনবিস্ফোৰণ ঘটিছে। অহা পঞ্চাচ বছৰত পৃথিৱীৰ আটাইতকৈ দুখীয়া দেশসমূহৰ জনসংখ্যা তিনি গুণলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

14. নতুন আন্ত-ৰাষ্ট্ৰীয় অৰ্থনৈতিক শৃংখলাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

উত্তৰ: তৃতীয় বিশ্বৰ ৰাষ্ট্ৰসমূহে বিশ্ব অৰ্থনৈতিক বাণিজ্যিক পদ্ধতিৰ সংস্কাৰৰ উদ্দেশ্যে নতুন অৰ্থনৈতিক শৃংখলা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিছিল। ৰাষ্ট্ৰসংঘই ১৯৭৪ চনত এই নতুন অৰ্থনৈতিক শৃংখলাৰ বিষয়ে ঘোষণা কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল —

১. সকলো ৰাষ্ট্ৰই সমতাৰ ভিত্তিত বিশ্ব অৰ্থনৈতিক সমস্যাৰ সমাধানত অংশ গ্ৰহণ কৰিব পাৰিব।

২. প্ৰতিখন ৰাষ্ট্ৰই নিজৰ উন্নয়নৰ সুবিধাৰ্থে নিজৰ পছন্দ অনুসৰি অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

3. নিজৰ প্ৰাকৃতিক সম্পদ আৰু অৰ্থনৈতিক কাৰ্যাৱলীৰ ওপৰত প্ৰতিখন ৰাষ্ট্ৰৰ সাৰ্বভৌম অধিকাৰ থাকিব।

15. বিশ্বায়নের রাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক প্ৰভাৱসমূহ কি কি ? আলোচনা কৰা ।

উত্তৰ : (ক) বিশ্বায়নে ৰাজনৈতিক ক্ষেত্ৰত উল্লেখযোগ্য প্ৰভাৱ বিস্তাৰ কৰিছে । এই ধাৰণাই পৰম্পৰাগত সাৰ্বভৌমত্বৰ অৰ্থত পৰিৱৰ্তন কৰিছে ।

(খ) বিশ্বায়নৰ প্ৰসাৰৰ বাবে বহুজাতিক সংস্থাৰ প্ৰবেশ আৰু ইয়াৰ গুৰুত্ব সকলো দেশতে বৃদ্ধি পোৱাৰ বাবে চৰকাৰৰ ক্ষমতা ক্ৰমান্বয়ে হ্ৰাস পাইছে।

(গ) বিশ্ব অৰ্থনৈতিক দিশত বিশ্বায়নৰ যথেষ্ট প্ৰতিক্ৰিয়া দেখিবলৈ পোৱা যায় । অৰ্থনৈতিক বিশ্বায়নে পৃথিৱীৰ ৰাজনৈতিক চেহেৰাৰ পৰিৱৰ্তন সাধন কৰিছে। অৰ্থনৈতিক বিশ্বায়নৰ বিভিন্ন আন্তৰ্জাতিক বিত্তীয় সংগঠনৰ যেনে আন্তৰ্জাতিক মুদ্ৰানিধি, বিশ্ব বেংক আদিৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছে ।

(ঘ) বিশ্বায়নে মানুহৰ জীৱনশৈলী, চিন্তা ধাৰা, খাদ্যাভাস আদি ক্ষেত্ৰতো পৰিৱৰ্তন আনিছে ।

16. শীতল যুদ্ধৰ যুগত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ নেতা হিচাপে ভাৰত ভূমিকা আলোচনা কৰা ।

উত্তৰ: ভাৰতবৰ্ষই গোষ্ঠীনিৰপেক্ষ আন্দোলনৰ নেতা হিচাপে শীতল যুদ্ধৰ কালছোৱাত এক উল্লেখ-যোগ্য ভূমিকা পালন কৰিছিল । ভাৰতবৰ্ষই পৰস্পৰ বিৰোধী দুটা শক্তি গোটৰ পৰা সমদূৰত্বত আঁতৰত থকাৰ চেষ্টা কৰিছিল। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ উদ্দেশ্যে সক্ৰিয় এই নীতি গ্ৰহণ কৰা হৈছিল ।

সকলো আন্তৰ্জাতিক সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ

উপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। ভাৰতবৰ্ষই যিকোনো ধৰণৰ সামৰিক চুক্তিত যোগদান কৰাৰ নিজকে বিৰত ৰাখিছিল। কিয়নো এনে চুক্তিবদ্ধতাই এখন দেশ স্বাধীনভাৱে সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে।

ভাৰতবৰ্ষই গোষ্ঠীনিৰপেক্ষ আন্দোলনৰ উদ্যোক্তা হিচাপে আন আন তৃতীয় বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজতো নিজৰ আসনৰ জৰিয়তে শক্তি সঞ্চয় কৰিবলৈ সক্ষম হৈছিল আৰু গোষ্ঠীনিৰপেক্ষ আন্দোলনৰ নেতা হিচাপে আন্তৰ্জাতিক ক্ষেত্ৰত এক বিশিষ্ট স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল।

17. বৃহৎ শক্তি দুটাই কিয় সৰু দেশসমূহৰ সৈতে সামৰিক মিত্ৰতাত আবদ্ধ হৈছিল? তিনিটা কাৰণ আলোচনা কৰা।

উত্তৰ: শীতল যুদ্ধৰ সময়ত বৃহৎ শক্তি দুটাই বহুতো সৰু সৰু দেশৰ সৈতে মিত্ৰতাত লিপ্ত হৈছিল। ইয়াৰ মূল কাৰণ আছিল—

(ক) তেল আৰু খনিজ সম্পদ: সৰু সৰু ৰাষ্ট্ৰবোৰত থকা তেল আৰু খনিজ সম্পদৰ বাবে বৃহৎ শক্তি দুটাই সেইবোৰৰ ৰাষ্ট্ৰৰ সৈতে সামৰিক মিত্ৰতাত লিপ্ত হৈছিল।

(খ) সামৰিক ঘাটি স্থাপন: সৰু সৰু ৰাষ্ট্ৰসমূহৰ পৰা বৃহত্ বৃহৎ শক্তিৰ ৰাষ্ট্ৰসমূহৰ শত্ৰু ৰাষ্ট্ৰত সামৰিক বাহিনী আৰু ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰাত সহায়ক হয়।

(গ) চোৰাংচোৱাৰ সুবিধাজনক: সৰু সৰু ৰাষ্ট্ৰবোৰৰ সৈতে সামৰিক মিত্ৰতাত লিপ্ত হ'লে বৃহৎ শক্তি ৰাষ্ট্ৰসমূহৰ

ক্ষেত্ৰত পাৰস্পৰিক শত্ৰু ৰাষ্ট্ৰৰ বিৰুদ্ধে গোৱেন্দাগিৰি কৰাত সহায়ক হয়।

18. ছোভিয়েট ইউনিয়ন ভাঙোনৰ ফলাফলসমূহ সম্পৰ্কে আলোচনা কৰা।

উত্তৰঃ ১. ছোভিয়েট ব্যৱস্থা জনসাধাৰণৰ ওপৰত দায়বদ্ধ নাছিল। ইয়াৰ ফলত এই ব্যৱস্থাই জনপ্ৰিয়তা হেৰুৱাইছিল।

২. ছোভিয়েট ব্যৱস্থাত দেখা দিয়া অৰাজকতা, সাংগঠনিক দুৰ্বলতা আৰু দুৰ্নীতি আৰু জনসাধাৰণৰ স্বাধীনতা নথকাৰ বাবে প্ৰশাসন প্ৰতি জনসাধাৰণৰ মোহ ভংগ হৈছিল।

3. সাধাৰণ জনতাতকৈ দলীয় নেতাসকলে অধিক সা-সুবিধা ভোগ কৰিছিল।

4. ৰাজনৈতিক বা প্ৰশাসনিক দিশৰ লগত জনগণৰ কোনো সম্পৰ্ক নোহোৱাৰ বাবে জনগণৰ সম্মতি হেৰুৱাইছিল।

19. বিশ্ববেংক কোন চনত স্থাপিত হৈছিল? ইয়াৰ কাৰ্যকলাপ আলোচনা কৰা।

উত্তৰঃ দ্বিতীয় বিশ্বযুদ্ধৰ পিছতেই ১৯৪৪ চনত বিশ্ব বেংক গঠন কৰা হয়। ইয়াৰ প্ৰধান কাৰ্যসমূহ এনে ধৰণৰ —

(ক) বিশ্ব বেংকে মানৱ সম্পদ, কৃষি, গ্ৰাম্য উন্নয়ন, পৰিৱেশ ৰক্ষা, আন্তঃগাঁথনি, প্ৰশাসনীয় আদি দিশত উন্নতিৰ বাবে কাৰ্য কৰে।

(খ) সদস্য ৰাষ্ট্ৰসমূহক ঋণ আৰু অনুদান আগবঢ়ায়।

এইদৰে বিশ্ব বেংকে উন্নয়নশীল দেশসমূহৰ আৰ্থনৈতিক নীতিৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে।

(গ) আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত দীৰ্ঘকালীন ভাৰসাম্য স্থাপনৰ বাবে উৎপাদনশীল সম্পদৰ ক্ষেত্ৰত আন্তৰ্জাতিক বিনিয়োগৰ ওপৰত গুৰুত্ব দিয়ে।

(ঘ) ঋণ বিনিয়োগৰ জৰিয়তে সদস্য ৰাষ্ট্ৰসমূহৰ পুনৰ্গঠন আৰু উন্নয়নৰ বাবে প্ৰচেষ্টা চলায়।

২০. সোভিয়েট ইউনিয়ন কিয় ধ্বংস হৈছিল? তিনিটা কাৰণ আলোচনা কৰা।

উত্তৰঃ তলত উল্লেখ কৰা বিষয়সমূহক সোভিয়েট ৰাছিয়াৰ পতনৰ কাৰণ দায়ী কৰা হয়—

১. ত্ৰুটিপূৰ্ণ নেতৃত্বঃ সোভিয়েট ৰাছিয়াৰ পতনৰ উল্লেখযোগ্য কাৰণ হৈছে ত্ৰুটিপূৰ্ণ নেতৃত্ব ব্যৱস্থা। দলৰ নেতাসকলক চৰকাৰৰ নেতা আৰু দেশৰ নেতা বুলি মান্যতা দিয়া হৈছিল। এই নেতাসকলে বিলাস বহুল জীৱন যাপন আৰু ভ্ৰষ্টাচাৰমূলক কাৰ্যত লিপ্ত আছিল। দুৰ্বল নেতা আৰু দেশৰ কল্যাণৰ বিষয়ে চিন্তা নকৰা এই নেতৃত্ব সোভিয়েট ৰাছিয়াৰ পতনৰ এক উল্লেখযোগ্য কাৰণ।

২. গৰ্বাচেভৰ সংস্কাৰমূলক নীতিঃ মিখাইল গৰ্বাচেভৰ সংস্কাৰ ব্যৱস্থাইও সোভিয়েট ৰাছিয়াৰ পতন মাতি আনিছিল। তেওঁ দেশৰ জনগণক স্বাধীনতা, সমতা, জাতীয়তাবোধ, আৰ্থনৈতিক স্ব-নিৰ্ভৰশীলতা আদিৰ বিষয়ে অৱগত কৰি প্ৰস্তুত নকৰাকৈ ৰাছিয়াত তেওঁৰ বিখ্যাত Glasnot (মুক্ত বতাহ)

আৰু Perestroike (পুনৰ্গঠন) ধাৰণাৰ কাৰ্যকৰী কৰিব বিচাৰিছিল।

৩. অৰ্থনৈতিক স্থিতাৱস্থা : ছোভিয়েট ৰাষ্ট্ৰই পূৰ্ব ইউৰোপত থকা দেশসমূহক, মধ্য গণৰাজ্যসমূহক সদায় নিয়ন্ত্ৰণত ৰখাৰ বাবে বছৰে বহু ধন কেৱল মাত্ৰ সামৰিক ব্যৱস্থাক যথেষ্ট শক্তিশালী আৰু আধুনিক কৰি ৰখাৰ বাবে ব্যয় কৰিছিল। ইয়াৰ ফলত ছোভিয়েট অৰ্থ-ব্যৱস্থাৰ ওপৰত যথেষ্ট বোজা পৰিছিল। ছোভিয়েট নাগৰিকসকলে পশ্চিমীয়া দেশৰ নাগৰিকসকলৰ দৰে অৰ্থনৈতিক দিশত আগবাঢ়িব পৰা নাছিল আৰু ইয়াৰ বাবে তেওঁলোকৰ মনত অসন্তোষৰ সৃষ্টি হৈছিল।

৪. ৰাজনৈতিক আৰু প্ৰশাসনীয় স্থিতাৱস্থা : ছোভিয়েট ৰাষ্ট্ৰই ৰাজনৈতিক আৰু প্ৰশাসনীয় দিশত স্থিতাৱস্থা ৰক্ষা কৰাত ব্যস্ত আছিল। শাসক সাম্যবাদী দল জনগণৰ ওচৰত দায়বদ্ধ নাছিল। দেশত প্ৰশাসকসকলৰ মাজত ভ্ৰষ্টাচাৰ যথেষ্ট পৰিমাণে বিয়পি পৰিছিল। কিন্তু প্ৰশাসকসকলে ক্ষমতা বিকেন্দ্ৰীকৰণ কৰাৰ বাবে বা নিজকে জনগণৰ ওচৰত দায়বদ্ধ কৰাৰ বাবে কোনো ধৰণৰ নিশ্চিত ব্যৱস্থা হাতত লোৱা নাছিল।

৫. জাতীয়তাবাদৰ উত্থান: ছোভিয়েট দেশৰ পতনৰ এক উল্লেখযোগ্য কাৰণ হৈছে বিভিন্ন গণৰাজ্যৰ জনগণৰ মাজত জাতীয়তাবোধৰ উত্থান আৰু সাৰ্বভৌম ৰাষ্ট্ৰ হোৱাৰ আকাংক্ষা বিশেষকৈ ৰাছিয়া, বাল্টিক গণৰাজ্যসমূহ, ইষ্টোনিয়া, লাটভিয়া, লিথুৱানিয়া, ইউক্ৰেইন, জৰ্জিয়া আদি গণৰাজ্যসমূহত জাতীয়তাবাদী মনোভাব আৰু স্বাধীনতাৰ স্পৃহাই ছোভিয়েট ৰাছিয়াৰ পতন সুগম কৰিছিল।